# <u>ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস-২০১৮</u>

**গুৱাহাটী, ৯ ফেব্ৰুৱাৰি, ২০১৮ :** অহা ২৮ ফেব্ৰুৱাৰি ২০১৮ তাৰিখে অসম জাতীয় বিদ্যালয়ত 'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস' উদ্‌যাপন কৰা হ'ব। উক্ত দিনটোত কেৱল অসম জাতীয় বিদ্যালয় (নুনমাটি)ৰ শিক্ষাৰ্থীসকলৰ মাজত বিজ্ঞান প্ৰদৰ্শনীৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে।

অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ ২০১৮ উপলক্ষে 'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস'ৰ লগত সংগতি ৰাখি অন্য সময়ত এখনি বিজ্ঞান সমাৰোহ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। এই সমাৰোহখনিত ইচ্ছুক আন বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলেও বিজ্ঞান প্ৰদৰ্শনীৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। উক্ত সমাৰোহখনিৰ নিৰ্দিষ্ট দিন ধাৰ্য হোৱাৰ পাছত সকলোৰে জ্ঞাতাৰ্থে আগতীয়াকৈ জনোৱা হ'ব। সমাৰোহৰ সবিশেষ অজাবিৰ ৱেবছাইট-www.assamjatiyabidyalay.comত উপলব্ধ হ'ব।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-২০